Forest Department

ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# লখিমীজান যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি)

শদিয়া বনাঞ্চলিক, ডুমডুমা বন সংমণ্ডল
তিনিচুকীয়া জিলা, অসম

Approved

Divisional Forest Officer
Doomdooma Division
Doomdooma

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

লখিমীজান যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত

সহায়কাৰী

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল’, COMPELO)

[ আই আই ই (IIE), আৰ জি ভি এন (RGVN) আৰু চি এম এল (CML)]

জুলাই, ২০১৬

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ এফ চি (AFC) | সহকাৰী বন সংৰক্ষক (এছিষ্টেণ্ট কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| এ এফ ডি (AFD) | এজেন্সী ফ্ৰান্সেইজ ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি চি এফ (CCF) | মুখ্য বন সংৰক্ষক (চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এফ (CF) | বন সংৰক্ষক (কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ (চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>(কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ) |
| ডি চি এফ (DCF) | উপ-বন সংৰক্ষক (ডেপুটী কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| ডি এফ অ' (DFO) | সাংমণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ-উন্নয়ন সমিতি (ইক'-ডেভেলপমেণ্ট ছ'চাইটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গভৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| এইচ এইচ (HH) | পৰিয়াল (হাউছ হ'ল্ড) |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যুটীয়া বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |

| | |
|---|---|
| এম অ' ই এফ চি চি (MoEFCC) | পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয় (মিনিষ্ট্ৰী অব্ এনভাইৰ'নমেণ্ট, ফৰেষ্টছ এণ্ড ক্লাইমেট চেঞ্জ) |
| এম টি (MT) | মেট্ৰিক টন |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰেষ্ট প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| এছ ডি পি (SDP) | দক্ষতা বিকাশ কাৰ্যসূচী (স্কিল ডেভেলপমেণ্ট প্ৰ'গ্ৰাম) |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমেৰী হেল্থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প নিৰীক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| আৰ অ' (RO) | বনাঞ্চলিক বিষয়া (ৰেঞ্জ অফিচাৰ) |
| এছ ডি জি (SDG) | বহনক্ষম উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেণ্ট গ'ল্ছ) |
| এছ এল এফ (SLF) | নিৰ্বাহক্ষম জীৱিকা ৰূপৰেখা (ছাছটেইনেবল লাইভলিহুড ফ্ৰেমৱৰ্ক) |
| এছ ডব্লিউ অ' টি (SWOT) | সবলতা, দুৰ্বলতা, সুবিধা আৰু শংকা (ষ্ট্ৰেন্থ, উইক্‌নেছ, অপৰ্চুনিটী এণ্ড থ্ৰেট) |
| ডব্লিউ পি চি (WPC) | কৰ্ম পৰিকল্পনা চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কল) |

# লখিমীজান যুটীয়া বন পৰিচালনা সমিতি
## শদিয়া বনাঞ্চলিক, তিনিচুকীয়া সংমণ্ডল

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

সূচীপত্ৰ


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ৫-৬ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৬-১১ |
| ৩ | জীৱিকাৰ সুবিধা বিশ্লেষণ | ১১-১৮ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৮-১৯ |
| ৫ | কৰ্ম পৰিকল্পনা | ১৯-২১ |
| ৬ | বন উন্নয়ন পৰিকল্পনা | ২২-৪২ |
| ৭ | পৰিশিষ্ট তালিকা | ৪৩-৭০ |


Divisional Forest Officer
Doomdooma Division
Doomdooma

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্প সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সু-সংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br><br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাৰপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br><br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **লখিমীজান জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত লখিমীজান জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত প্ৰকাশ কৰা হৈছে। এই জে এফ এম চি ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত কাকপথাৰ বনাঞ্চলিকৰ প্ৰশাসনৰ অধীনত অৱস্থিত।<br><br>এই ক্ষুদ্ৰ পৰিকল্পনা সম্প্ৰদায়টোৰ পুৰুষ-মহিলা উভয়ৰে সহযোগত প্ৰস্তুত কৰা হৈছে। এই তথ্য জুন,২০১৬ত চি এম এল গুৱাহাটীৰ বিষয়া আৰু সম্প্ৰদায়টোৰ |

| | |
|---|---|
| | সদস্যসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়নৰ ফল হিচাপেই এই নথি প্ৰস্তুত হৈছে। প্ৰকল্প নিৰ্দেশিকাৰ ভিত্তিত চি এম এলৰ দ্বাৰা এই ক্ষুদ্ৰ পৰিকল্পনা যুগুতোৱা হৈছে। ২০১৬ চনৰ জুলাই মাহত এই তথ্যৰ ওপৰত হোৱা বিতং আলোচনাত চূড়ান্ত কৰি গ্ৰহণ কৰা হয়। |

## ২। গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা

| | |
|---|---|
| **অৱস্থিতি** | লখিমীজান যুটীয়া বন পৰিচালনা সমিতি ২০১৪ বৰ্ষত লখিমীজানক সামৰি গঠন কৰা হয়। এই জে এফ এম চিটো শদিয়া বনাঞ্চলিকৰ পৰা আঠ কিলোমিটাৰ দূৰত্বত অৱস্থিত। জে এফ এম চিটোত ১১৫টা পৰিয়াল আছে আৰু ইয়াৰ অন্তৰ্গত গাঁওখনৰ জনসংখ্যা হ'ল ৬২৫ জন, ইয়াৰে ৩২৯ গৰাকী পুৰুষ আৰু ২৩৪ গৰাকী মহিলা। এই জে এফ এম চিৰ অন্তৰ্গত অঞ্চলসমূহ অসমৰ তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ খুনচাং পঞ্চায়তৰ অন্তৰ্গত।<br>পৰিশিষ্ট-I ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে। |
| **মূল তথ্য** | |

**জে এফ এম চিৰ মূল্য তথ্য তলত উল্লেখ কৰা হ'ল ঃ**

**তালিকা (ক) ঃ জে এফ এম চিৰ মূল তথ্য**

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | লখিমীজান |
| **জিলা** | তিনিচুকীয়া |
| **বন সংমণ্ডল** | ডুমডুমা |
| **বন আঞ্চলিক** | শদিয়া |
| **গঠনৰ বছৰ** | ২০১৪-১৫ |
| **অধিকৃত বন এলেকা** | ৫০ হেক্টৰ |
| **মুঠ পৰিয়াল** | ১১৫ |
| **জে এফ এম চি গাঁৱৰ সংখ্যা** | ১খন। (লখিমীজান) |
| **বন লাট কাৰ্যালয়** | কাকপথাৰ |
| **জে এফ এম চিৰ চাৰিসীমা** | উত্তৰে ঃ অৰুণাচল প্ৰদেশ |
| | দক্ষিণে ঃ কপৌপথাৰ আহোম গাঁও |
| | পশ্চিমে ঃ বৰপথাৰ আৰু পদুম পুখুৰী |
| | পূবে ঃ কপৌপথাৰ দেউৰী গাঁও আৰু অঃপ্ৰঃ |

**উৎস ঃ** জে এফ এম চি তথ্য আৰু ২০১৬ৰ জুনত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা।

অতিৰিক্ত তথ্য নথি-I ৰ তালিকা-১ত প্ৰদান কৰা হৈছে। (পৰিশিষ্ট দ্ৰষ্টব্য)

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>যুটীয়া বন পৰিচালনা সমিতিখনৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>পুনাৰাম বুঢ়াগোঁহাই (৮৮১২০৭৪২৫৮)</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>লক্ষেশ্বৰ বৰুৱা (৯৮৫৪০১৩৪৫৯)</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>অনন্ত বুঢ়াগোঁহাই</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ৬<br>মহিলা ঃ ৩<br>মুঠ ঃ ৯</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>১১৫</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ নথি</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনগাঁথনি</td>
<td>লখিমীজান জে এফ এম চিত মুঠ পৰিয়ালৰ সংখ্যা হৈছে ১১৫টা আৰু তেওঁলোক একেখন গাঁৱতে বাস কৰে। গাঁওখনৰ মুঠ জনসংখ্যা হৈছে ৬২৫জন। ইয়াৰে ৩২৯জন পুৰুষ আৰু ২৩৪গৰাকী মহিলা। লিংগ অনুপাত হ'ল ১০০০ পুৰুষৰ বিপৰীতে ৭১৭গৰাকী মহিলা। পৰিয়ালৰ গড় আকাৰ ৪। ইয়াত মুঠ পৰিয়ালৰ সংখ্যা হৈছে ১১৫টা। ইয়াৰ ভিতৰত হিন্দু-অসমীয়া (অ' বি চি) সম্প্ৰদায়ৰ লোকেই সৰ্বাধিক। ইয়াৰ পিছত আছে অনুসূচিত জনজাতি শ্ৰেণীৰ। এই জনজাতিয় বাসিন্দাসকলৰ ভিতৰত এলেকাটোত প্ৰধানতঃ দেউৰী সম্প্ৰদায়ৰ লোকেই আছে। সম্প্ৰদায়সমূহ প্ৰধানতঃ অসমীয়া আৰু তেওঁলোক বেছিভাগেই আহোম শ্ৰেণীৰ প্ৰাধান্য থকা। মুঠ ১১৫টা পৰিয়ালৰ ভিতৰত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ সংখ্যা হ'ল ৯৯।<br><br>উপৰোক্ত তথ্যৰ অধিক বিৱৰণৰ বাবে তালিকা-২ চাব পাৰে।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা উন্নয়ন</td>
<td>লখিমীজান জে এফ এম চিত সাক্ষৰতাৰ হাৰ হ'ল ৫৩ শতাংশ। অঞ্চলটোৰ প্ৰায় ১৬ শতাংশ পৰিয়ালৰ অশিক্ষিত। গাঁওখনৰ অধিকাংশ লোকে চতুৰ্থ শ্ৰেণীলৈকে শিক্ষা লাভ কৰিছে। অঞ্চলটোৰ মহিলাসকল বয়ন শিল্পত দক্ষ। আৰু তেওঁলোক এই শিল্পত পৰম্পৰাগতভাৱে দক্ষ। গাঁওখনৰ পুৰুষ সদস্যসকল ৰাজমিস্ত্ৰী কাম দক্ষ আৰু যুৱকসকল কিছু পৰিমাণে কাৰিকৰী জ্ঞানেৰে সমৃদ্ধ, প্ৰধানতঃ কম্পিউটাৰ সাক্ষৰতা আৰু জ্ঞানৰ।<br><br>জীৱিকা হিচাপে গাঁৱৰ পৰিয়ালৰসমূহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষি হিচাপে তেওঁলোক বেছিভাগেই বৰ্ষানিৰ্ভৰ ধান খেতিৰ লগত জড়িত। প্ৰায় সকলো পৰিয়ালেই কৃষি ভূমি আছে আৰু তেওঁলোক অন্যান্য ঋতুকালীন শস্য যেনে সৰিয়হ, শাক-পাচলি, লাও, কবি আদি শস্যৰ লগত জড়িত।<br><br>প্ৰাথমিক পৰ্যায়লৈকে শিক্ষাৰ সুবিধা সন্তোষজনক। গাঁওখনত এখন প্ৰাথমিক বিদ্যালয় আৰু এটা অংগনবাড়ী কেন্দ্ৰ আছে। ইয়াৰ ওপৰৰ শিক্ষা গ্ৰহণ কৰিবৰ বাবে গাঁওখনৰ শিশুসকলে নিকটৱৰ্তী চহৰ চাপাখোৱালৈ যাবলগীয়া হয়।</td>
</tr>
</table>

| | |
|---|---|
| | সেয়েহে অঞ্চলটোত লাভ কৰা জীৱিকাৰ ক্ৰিয়াকলাপসমূহ তলত দিয়া ধৰণৰ<br>ক) কৃষি-ধান আৰু ৰবিশস্য<br>খ) পশুধন প্ৰতিপালন |
| **মাটি** | জে এফ এম চিটোত তিনি প্ৰকাৰৰ মাটি উপলবদ্ধ ঃ বালিমিশ্ৰিত পলসুৱা, পলসুৱা আৰু আঠালেতীয়া পলসুৱা মাটি। ফলত গ্ৰীষ্মকালীন ধান (শালিধান), ৰবিশস্য যেনে সৰিয়হ আদি আৰু ঋতুকালীন পাচলি আদি উৎপাদনৰ বাবে অঞ্চলটোৰ মাটি উপযোগী। |
| **পানী** | ভূগৰ্ভৰ পানী খোৱাপানীৰ প্ৰধান উৎস। গোটেই বছৰজুৰি গাঁওবাসীয়ে ভাল পানী লাভ কৰে। প্ৰায় প্ৰতিঘৰ মানুহৰে দমকল বা কুঁৱা আছে। সৰু সৰু প্ৰাকৃতিক জলাশয় কিছুমানো আছে। |
| **জলবায়ু ঃ<br>উষ্ণতা আৰু বৰষুণ** | জুলাই-আগষ্টত সৰ্বোচ্চ তাপমাত্ৰা হৈছে ৩৫ ডিগ্ৰী চেলচিয়াছ ডিচেম্বৰ-জানুৱাৰীত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ৭-৮ ডিগ্ৰী চেলচিয়াছ। আৰ্দ্ৰতা পুৱাৰ ভাগত ৯০-৯৫ শতাংশ আৰু আবেলি ৫০-৭০ শতাংশ।<br>লখিমীজান জে এফ এম চিত বছৰি ২৩০০-৩০০০ মিলিমিটাৰ বৰষুণ হয়। অঞ্চলটোৰ বাৰ্ষিক গড় বৰষুণৰ পৰিমাণ হৈছে ২৮১৯ মিলিমিটাৰ। সাধাৰণ বৰষুণৰ পৰিমাণ (১৯০১-১৯৫০) হৈছে ২৭৯৬.৪ মিঃমিঃ। বাৰিষাৰ সময়ছোৱাত (জুন-ছেপ্টেম্বৰ) ৬৪-৬৮ শতাংশ আৰু প্ৰাক্-বাৰিষা (মাৰ্চ-মে') ২২-২৬ শতাংশ বৰষুণ হয়। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহ বিস্তৃতভাৱে ট্ৰপিকেল সিক্ত চিৰসেউজ বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। প্ৰধান বৃক্ষ প্ৰজাতিবোৰ হৈছে চিদা, ৰাধাচূড়া, ধুনা-ধূপ, ডিমৰু, কৃষ্ণচূড়া, ভেলেউ আৰু চেগুণ আদি। তদুপৰি এই বনাঞ্চলত হাতী আপেল, বাঁহ, খেৰ, পশুখাদ্য, বনৌষধি উদ্ভিদো আছে। এই সম্পৰ্কে অতিৰিক্ত তথ্য 'বনাঞ্চল উন্নয়ন পৰিকল্পনা'ত দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট ২ ত বহলাই উল্লেখ কৰা হৈছে। এই পৰিশিষ্ট অনুসৰি পৰ্যবেক্ষণ কৰা কিছু গুৰুত্বপূৰ্ণ তথ্য নিম্নলিখিত ধৰণৰ ঃ<br>কাঠখৰি ৰোপণ ঃ ৪৪ শতাংশ<br>ক্ষতিগ্ৰস্ত বনভূমি ঃ ২৪ শতাংশ<br>ধাননি পথাৰ ঃ ৫ শতাংশ<br>পুখুৰী ঃ ২ শতাংশ<br>পথ ঃ ৩ শতাংশ<br>বসতিস্থান ঃ ১০ শতাংশ<br>জান-জুৰি ঃ ৪ শতাংশ<br>বৃক্ষ আচ্ছাদিত অঞ্চল ঃ ৬ শতাংশ<br>জলাশয় ঃ ২ শতাংশ |

| | |
|---|---|
| **ভূমি মালিকানাৰ ধৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি মালিকানাৰ ধৰণ **তথ্য-(I)**ৰ **তালিকা-৩**ত উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ ৬২.৯৩ শতাংশ পৰিয়ালৰ কৃষিভূমি আছে<br>■ ৪.৩১ শতাংশ পৰিয়াল (৫টা পৰিয়াল) ধনী কৃষক (১০ হেক্টৰতকৈ বেছি)<br>■ ১৫.৫২ শতাংশ পৰিয়াল (১৮টা পৰিয়াল) ক্ষুদ্ৰ কৃষক। (২-১০ হেক্টৰ)<br>■ ৪৩.১০ শতাংশ পৰিয়াল (৫০টা পৰিয়াল) উপান্ত কৃষক। (২ হেক্টৰৰ কম)<br>■ ৩৭.০৭ শতাংশ পৰিয়াল (৪৩টা পৰিয়াল) ভূমিহীন |
| **পশুধন** | যুটীয়া বন পৰিচালনা সমিতিৰ মুঠ পশুধনৰ সংখ্যা হৈছে ৬৫৪টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ<br>গাইগৰু ঃ ৭১টা<br>বলধ ঃ ৬৫টা<br>ম'হ ঃ ১৫টা<br>কুকুৰা ঃ ৪১১টা<br>গাহৰি ঃ ৫৫টা<br>ছাগলী ঃ ৩৭টা<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৱৰণ **তথ্য-(I)**ৰ **তালিকা-৪**ত দাঙি ধৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ স্থিতিশীল উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমান উপলব্ধ আন্তঃগাঁথনিৰ অৱস্থা তলত উল্লেখ কৰাৰ ধৰণে ভাগ কৰিব পাৰি ঃ<br>**বাস্তৱিক আন্তঃগাঁথনি ঃ** গাঁওখনত প্ৰাথমিক বাস্তৱিক উপাদানসমূহ যেনে বিজুলী, মোবাইল ফোন চাইকেল আৰু মটৰ চাইকেল আছে যোগাযোগ ব্যৱস্থা হিচাপে। গাঁওকেইখন প্ৰধান পথৰ লগত ভালদৰে সংযোজিত আৰু যিটোৱে তেওঁলোকক চহৰৰ লগত সংযোগ স্থাপন কৰাই দিছে।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** শিক্ষা আৰু স্বাস্থ্য সেৱা সুবিধা হিচাপে ইয়াত আছে এখন নিম্ন প্ৰাথমিক বিদ্যালয়, দুটা অংগনবাড়ী কেন্দ্ৰ, এটা সামূহিক স্বাস্থ্য কেন্দ্ৰ; যিটো পৰিয়ালসমূহৰ বাবে পৰ্যাপ্ত।<br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ যেনে গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ কাৰ্যালয়, স্থানীয় আৰক্ষী চকী, বন লাট কাৰ্যালয় আদি গাঁওখনৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত।<br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** বেংক আৰু ডাকঘৰৰ দৰে বিত্তীয় প্ৰতিষ্ঠান ইয়াত উপলব্ধ যদিও সেইবোৰ গাঁৱৰ বসতিস্থানৰ পৰা যথেষ্ট দূৰৈত, প্ৰায় ৫ কিলোমিটাৰ দূৰৈত অৱস্থিত।<br>যুটীয়া বন পৰিচালনা সমিতিৰ কৃষিশস্যৰ সবিশেষ **তথ্য-(I)**ৰ **তালিকা-৬**ত বিশদভাৱে উল্লেখ কৰা হৈছে। |
| **কৃষিশস্য** | ■ মাত্ৰ ৬ শতাংশ পৰিয়াল শালিখেতিৰ লগত জড়িত। |

| | |
|---|---|
| | ■ ডুমডুমা চহৰ আৰু সীমিত ফাৰ্মৰ গৰাকীয়ে কৃষকসকলক কৃষিকাৰ্য আৰু পৰম্পৰাগতভাৱে উৎপাদন কৰা ফল যেনে মাটিকঁঠাল, আম, কল আৰু পাচলিক নিৰুৎসাহিত কৰি আহিছে।<br>■ কেইটামান পৰিয়ালে ক্ষুদ্ৰ পৰিসৰত চাহখেতি কৰিবলৈ আৰম্ভ কৰিছে। |
| **শস্য উৎপাদন ৰূপৰেখা** | **তথ্য-(I)ৰ তালিকা-৭**ত সন্নিৰিষ্টি তথ্যত উৎপাদন আৰু ইয়াৰ হাৰ উল্লেখ কৰা হৈছে।<br>উৎপাদিত শস্য আৰু উৎপাদন হাৰ তলত দিয়া ধৰণৰ। পৰিয়ালসমূহে কৰা কৃষি প্ৰধানতঃ বৰষুণৰ ওপৰত নিৰ্ভৰশীল। |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **তথ্য-(I)ৰ তালিকা-৮**ত সন্নিৰিষ্ট কৰা হৈছে। জে এফ এম চিখনৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) শস্যৰ অৱশিষ্টাংশ<br>খ) বনাঞ্চলৰ চৰণীয়া এলেকা<br>গ) ঘৰুৱা পাচলিৰ অৱশিষ্টাংশ<br>ঘ) সেউজীয়া খাদ্য |
| **বজাৰ** | যুটীয়া বন পৰিচালনা সমিতিৰ পৰা বিভিন্ন বজাৰৰ দূৰত্ব **তথ্য-(I)ৰ তালিকা-৯**ত উল্লেখ কৰা হৈছে। গাঁওবাসীয়ে ব্যৱহাৰ কৰা বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকানঃ গাঁৱৰ পৰা ১ কিঃমিঃ নিলগত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ৩ কিলোমিটাৰ দূৰৈত<br>গ) প্ৰধান বজাৰ ঃ ৪ কিলোমিটাৰ দূৰৈৰ ডিগবৈত। |
| **জলসম্পদ** | **তথ্য-(I)ৰ তালিকা-১০**ত জলসম্পদৰ বিষয়ে সন্নিৰিষ্ট কৰা হৈছে। পানী উপলব্ধ হোৱা প্ৰধান জল সম্পদসমূহ এনেধৰণৰ ঃ<br>ক) দমকল ঃ ৮৮টা, পানী পৰ্যাপ্ত<br>খ) নদী ঃ ১খন, (পৰ্যাপ্ত) ডিগবৈ নদী<br>গ) কুঁৱা ঃ ৫টা |
| **শক্তিৰ ব্যৱহাৰ** | যুটীয়া বন পৰিচালনা সমিতিৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)ৰ তালিকা-১১**ত উল্লেখ কৰা হৈছে।<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৩০টা, উৎস ঃ স্থানীয় বনাঞ্চল<br>খ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৩০টা, উৎস ঃ বাহিৰৰ বজাৰ<br>গ) ৰন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ২৩টা |

| | |
|---|---|
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওখনৰ বাসিন্দাসকল বেছিভাগেই অন্যান্য পিছপৰা শ্ৰেণীৰ। গাঁৱত গভীৰ সামাজিক বিভাজন নাই। মহিলাসকলৰ সামাজিক অৱস্থান সন্তোষজনক।<br><br>**অৰ্থনৈতিক অৱস্থা ঃ** অঞ্চলটোৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি মুঠতে ক'বলৈ গ'লে সন্তোষজনক। পৰিয়ালসমূহৰ বাৰ্ষিক উপাৰ্জন ২০,০০০-১,৫০,০০০ টকাৰ ভিতৰত।<br>অ' বি চিৰ পৰিয়ালসমূহ গাঁওখনৰ পৰা বেছি প্ৰব্ৰজন ঘটা নাই। কিন্তু কিছুমান আদিবাসী যুৱকে স্থায়ী সংস্থাপন বিচাৰি ওচৰৰ চহৰলৈ প্ৰব্ৰজন কৰিছে। |
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-Iত সন্নিৱিষ্ট কৰা হৈছে।<br><br>* গাঁৱৰ মানচিত্ৰ<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ |

## ৩। জীৱিকা সুযোগ বিশ্লেষণ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | গুৱাহাটীৰ চি এম এল দলে লখিমীজান গাঁৱত পি আৰ এ অনুশীলন সম্পন্ন কৰে। ইয়াৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ<br>তাৰিখ ঃ ১৪-০৬-২০১৬.........................<br>স্থান ঃ লখিমীজান<br>উপস্থিত লোকৰ সংখ্যা ঃ ৩৯<br>উপস্থিত থাকে ঃ জে এফ এম চিৰ কাৰ্যালয় সহায়ক, গাঁওবুঢ়া, গাঁওবাসী, বন বিভাগৰ বিষয়া আদি। |
| **পি আৰ এৰ উদ্দেশ্য** | অনুশীলনৰ মুখ্য উদ্দেশ্যসমূহ হ'ল ঃ<br>ক) অঞ্চলটোত উপলব্ধ জীৱিকাৰ উৎসসমূহ বুজা, ইয়াৰ সম্ভাৱনা আৰু প্ৰতিবন্ধকতা সম্পৰ্কে জনা।<br>খ) দুখীয়া লোকসকলক ঋণ সাহায্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে ভালদৰে বুজা। বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সেৱা আগবঢ়াবৰ বাবে ইয়াৰ সুযোগ, প্ৰতিবন্ধকতা আৰু সুবিধা পৰীক্ষা কৰা আৰু<br>গ) উপলব্ধ জীৱিকা সহায়ক কাৰ্যসূচী চিনাক্ত কৰা আৰু উপাৰ্জন আৰু সংস্থাপন সৃষ্টিৰ বিকল্প উৎস হিচাপে লোকসকলক জীৱিকা সহায়ক সেৱা আগবঢ়োৱা। |
| **পি আৰ এৰ ফলাফল আৰু ব্যৱহাৰ কৰা আহিলা** | বিভিন্ন আহিলা ব্যৱহাৰ কৰা হৈছে আৰু ফলাফল সংগ্ৰহ কৰা হৈছে। এইবোৰৰ ভিতৰত আছে ঃ<br>সামাজিক মানচিত্ৰায়ন (মেপিং)<br>সম্পদৰ মানচিত্ৰায়ন<br>সম্পত্তি ৰেংকিং<br>জীৱিকাৰ ঋতুকালীনতা<br>ভেন ডায়েগ্ৰাম |

<table>
<tr>
<td>স্থানাংক (ৰেংকিং)</td>
<td>নিম্নোক্ত বিষয়ত স্থানাংক (ৰেংকিং) নিৰ্ধাৰণ কৰা হৈছে ঃ<br>*       প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)<br>*       জীৱিকা আৰু দক্ষতা উন্নয়ন<br>পৰিশিষ্ট-৩ত এই বিষয়ে বৰ্ণনা কৰা হৈছে। ইয়াৰ পৰা, এইটো ক'ব পাৰি যে ঃ জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক<br>১) কৃষি<br>২) পশুধন<br>৩) ঔষধি উদ্ভিদ</td>
</tr>
<tr>
<td></td>
<td>প্ৰাৰম্ভিক কাৰ্যসূচীৰ স্থানাংক
<table>
<tr><th>স্থানাংক</th><th>স্থানাংক অনুসৰি গাঁৱৰ ইপিএ</th><th>বিতং বিৱৰণ (পৰিশিষ্ট-৩ত অতিৰিক্ত বৰ্ণনা দিয়া হৈছে)</th><th>ধনৰ সম্ভাব্য উৎস / বিভাগ</th></tr>
<tr><td>১</td><td>সামূহিক কেন্দ্ৰ</td><td>আধুনিক সা-সৰঞ্জামেৰে</td><td>পি এন আৰ ডি /ডি আৰ ডি এ</td></tr>
<tr><td>২</td><td>পথ</td><td>বিটুমিন দিয়া</td><td>পি এম জি এছ ৱাই /পি ডব্লিউ ডি</td></tr>
<tr><td>৩</td><td>সংঘ</td><td>খেলৰ সামগ্ৰী</td><td>ইপিএ এপিএফ বিচি/এন আৰ ডি ডব্লিউ পি</td></tr>
<tr><td>৪</td><td>দলং</td><td>নিৰ্দিষ্ট</td><td>পি এম জি এছ ৱাই /পি ডব্লিউ ডি</td></tr>
</table>
</td>
</tr>
<tr>
<td>জীৱিকা সুবিধা</td>
<td>জীৱিকা সুবিধাসমূহ তলত দিয়া ধৰণে চিনাক্ত কৰা হৈছে ঃ<br>গাঁওবাসীৰ বৰ্তমানৰ জীৱিকাৰ প্ৰতি লক্ষ্য ৰাখি, জে এফ এম চিটোৰ দক্ষতা প্ৰয়োজন/দক্ষতা অগ্ৰাধিকাৰ বিষয়ত সামগ্ৰিক বিশ্লেষণ কৰা হয়। ইয়াৰ ভিত্তিত দুটা বিভাগত বিভক্ত কৰা হয়— কৃষি খণ্ড আৰু অনা-কৃষি খণ্ড। দক্ষতা বিকাশ প্ৰশিক্ষণ কাৰ্যসূচীত অগ্ৰাধিকাৰ ভিত্তি অংশগ্ৰহণকাৰীৰ সঁহাৰি তলৰ তালিকাত দিয়া হৈছে।<br><br>তালিকা I ঃ জীৱিকাৰ সুযোগ স্থানাংক</td>
</tr>
</table>

| প্ৰশিক্ষণ কাৰ্যসূচীৰ প্ৰকাৰ | অগ্ৰাধিকাৰৰ ওপৰত নম্বৰ | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| ■ বয়ন | ১ | - | - | - | - |
| ■ পশুপালন ভিত্তিক | - | - | - | ৪ | - |
| ■ খাদ্য সংসাধন | - | ২ | - | - | - |
| ■ ইনচিষ্টিক | - | - | - | ৪ | - |
| ■ স্থানীয় কুকুৰা পাম | - | - | - | ৪ | - |

**উৎস ঃ** পি আৰ এ

পি আৰ এৰ সময়ত এইটো লক্ষ্য কৰা গৈছিল যে বয়ন প্ৰশিক্ষণ কাৰ্যসূচীত সৰ্বাধিক অগ্ৰাধিকাৰ দিয়া হৈছিল। ইয়াৰ কাৰণ হ'ল এলকাটোত উপলব্ধ উৎসৰ পৰ্যাপ্ততা। দ্বিতীয় আৰু তৃতীয় অগ্ৰাধিকাৰ দিয়া হৈছিল পশুপালন আৰু গাহৰি পালনত। খাদ্য সংসাধন আৰু ইনচিষ্টিক খণ্ড যেনে বাঁহ-বেতৰ সামগ্ৰীৰ ওপৰত দক্ষতা উন্নয়ন আৰু হস্তশিল্প খণ্ড যেনে চিলাই আৰু বয়ন কাৰ্যক্ৰমত কমকৈ গুৰুত্ব দিয়া পৰিলক্ষিত হয়।

**কৃষি আৰু উদ্যান শস্য**

কৃষি আৰু উদ্যানশস্যৰ ক্ষেত্ৰত সুযোগ সম্পৰ্কে তথ্যসমূহ নথি-২ৰ **তালিকা-১২**ত পাব ঃ

**প্ৰধান প্ৰধান বাধাবোৰ ঃ**

ক) সাৰ-কীটনাশকৰ অতি কম ব্যৱহাৰ।

খ) জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।

গ) কৃষি আন্তঃগাঁথনি, আধুনিক সা-সঁজুলি, যেনে ঃ পাৱাৰটিলাৰ, ট্ৰেক্টৰ আদিৰ অভাৱ।

ঘ) অধিক উৎপাদনশীল বীজ ব্যৱহাৰ নকৰা।

**সুযোগসমূহ ঃ**

ক) উপযুক্ত আৰু নিয়ন্ত্ৰিতভাৱে কীট আৰু পতংগনাশক দৰৱৰ ব্যৱহাৰ

খ) নতুন আৰু অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ

গ) সুসংগঠিত প্ৰশিক্ষণ কৰ্মসূচী

পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ হৈছে ঃ

* ট্ৰেক্টৰ চালনা প্ৰশিক্ষণ।

* কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী।

* কীট-পতংগ নাশক, সংকৰ প্ৰজাতিৰ শস্য খেতি আদি বিষয়ত প্ৰশিক্ষণ

| | |
|---|---|
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **তালিকা-১৩**ত দিয়া হৈছে।<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা পশু খাদ্য ক্ৰয়ৰ অক্ষমতা<br>খ) গছৰ পাত আদি পশুখাদ্য, শস্যৰ অৱশিষ্টা অংশ মাত্ৰ ৩-৬ মাহৰ বাবে চলে। গোটেই বছৰ ধৰি সেউজ পশুখাদ্য পাবলৈ নাই।<br>গ) কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>ঘ) যথোপযুক্তভাৱে পশুপালনৰ বিষয়ে জ্ঞানৰ অভাৱ।<br>**সুযোগসমূহ ঃ**<br>ক) পশুপালন-প্ৰজননৰ জৰিয়তে অধিক উৎপাদন<br>খ) তিনিচুকীয়া জিলা মুখ্য কাৰ্যালয়ত গাখীৰৰ এখন চাহিদাপূৰ্ণ বজাৰ আছে।<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>১. গাহৰি পালন<br>২. কুকুৰা পালন |
| **কাঠ ভিন্ন বনজ উৎপাদন (এন ডব্লিউ এফ পি)** | এন ডব্লিউ এফ পিৰ সুযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তাৰিকা-১৪**ত দিয়া হৈছে<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) এন ডব্লিউ এফ পি-ৰ কম পৰ্যাপ্ততা<br>খ) কাৰিকৰী জ্ঞানৰ ব্যৱস্থা নাই।<br>গ) সংসাধন গোট নাই।<br>**সুযোগসমূহ ঃ**<br>ক) সাৰুৱা পতিত মাটিৰ পৰ্যাপ্ততা<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) খাদ্য উদ্ভিদৰ খেতি<br>খ) ভেষজ উদ্ভিদ আদি |
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তালিকা-১৫**ত দিয়া হৈছে<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) বিবিধ প্ৰকাৰ উৎপাদনৰ অভাৱ<br>খ) উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ<br>গ) টি কিউ এম কলাকৌশলৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) ভাল যোগাযোগ ব্যৱস্থাৰ সুবিধা প্ৰদান<br>খ) দক্ষতা আহৰণকাৰীৰ প্ৰশিক্ষণ<br>গ) চৰকাৰৰ তৰফৰ পৰা বিত্তীয় সাহায্য |

| | |
|---|---|
| | **পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>* আধুনিক যন্ত্ৰপাতি, সা-সঁজুলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>* গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান<br>* দক্ষতাৰ উন্নতকৰণ আৰু নতুন উৎপাদনৰ বিকাশ আৰু বিবিধ প্ৰকাৰৰ উৎপাদনৰ বাবে প্ৰশিক্ষণ<br>* কেঁচামালৰ ভঁৰাল স্থাপন<br>* প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান |
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত নথি-২ৰ **তালিকা-১৬**ত আলোচনা কৰা হৈছে<br>**প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ ঃ**<br>ক) আৰ্থিক বহিৰ্ভূত<br>খ) বেচৰকাৰী ঋণদাতাসকলৰ দ্বাৰা উচ্চ হাৰত সুদ ধাৰ্য কৰা<br>**সুযোগসমূহ ঃ**<br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>খ) পৰ্যাপ্ত সজাগতা<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>**১) কৃষি আৰু উদ্যান শস্য ঃ** ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ, কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী, কীটনাশক, পতংগ নাশক, শংকৰ প্ৰজাতিৰ শস্যৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ।<br>**২) পশুধন ঃ** গাহৰি আৰু কুকুৰা পালন।<br>**৩) এন ডব্লিউ এফ পি ঃ** বিভিন্ন প্ৰকাৰৰ খাদ্য-উদ্ভিদ, ভেষজ উদ্ভিদ আদিৰ খেতি।<br>**৪) বিশেষ দক্ষতা ঃ** আধুনিক যন্ত্ৰপাতি আৰু সা-সুঁজলি সম্পৰ্কে প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান, দক্ষতা উন্নয়ন আৰু সামগ্ৰী উৎপাদনসহ আন বিবিধ প্ৰকাৰ সামগ্ৰী উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান, কেঁচামালৰ ভঁৰাল স্থাপন, প্ৰতিষ্ঠানিক ক্ৰেতাসকলৰ সৈতে উৎপাদিত সামগ্ৰীৰ বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ।<br>**৫) ঋণৰ ব্যৱস্থা ঃ** নিকটৱৰ্তী এলেকাত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |
| **জীৱিকা সুযোগ বিশ্লেষণ** | তলত উল্লেখ কৰা মানৰ ভিত্তিত জীৱিকাৰ উপায় সম্পৰ্কীয় ৰূপৰেখাৰ বিশ্লেষণ কৰা হৈছে ঃ<br>* জীৱিকা সম্পদ<br>* জীৱিকাৰ পৰিপ্ৰেক্ষিত<br>* সম্ভাৱনীয় জীৱিকা সম্পৰ্কীয় অগ্ৰাধিকাৰ স্থানাংক<br>ডি এফ ডি আই-ৰ (ডিপাৰ্টমেণ্ট অব্ ফাণ্ডিং ফৰ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট)ৰ স্থিতিশীল জীৱিকা ৰূপৰেখাৰ ভিত্তিত পি আৰ এ অনুশীলনৰ সময়ত কাঁচিজান জে এফ এম চিৰ জীৱিকাৰ পৰিস্থিতি বিশ্লেষণ কৰা হৈছে। জে এফ এম চিৰ বৰ্তমান জীৱিকা পৰিস্থিতি নিম্নোক্ত বিষয়সমূহৰ ভিত্তিত চিহ্নিত কৰা হৈছে ঃ<br>* প্ৰাকৃতিক মূলধন<br>* বস্তুগত মূলধন |

| | |
|---|---|
| | * সামাজিক মূলধন<br>* মানৱ সম্পদ<br>* আৰ্থিক মূলধন |
| | **১। প্ৰাকৃতিক সম্পদ**<br>জৈৱ বৈচিত্ৰ্যৰ বাবে প্ৰকল্প এলেকাটো পৰিচিত। জে এফ এম চিৰ প্ৰধান প্ৰাকৃতিক মূলধন হৈছে— হলখ, গমাৰি, তিতাচপা, নাহৰ, বনচোম, বগীপমা, বলা আদি। এই উচ্চ মূল্য সম্পন্ন উদ্ভিদসমূহ আৰু তাৰ সম্প্ৰসাৰণত কাঠখৰি সংগ্ৰহ ঝুম খেতি আৰু কাঠ সংগ্ৰহৰ (স্থানীয় ব্যৱহাৰ বা নগৰাঞ্চলত বিক্ৰীৰ বাবে) ফলত বন ধ্বংস হ'বলৈ আৰম্ভ কৰিছে আৰু এইটো পোনপতীয়াভাৱে গ্ৰামীণ জীৱিকাৰ সৈতে সংযুক্ত।<br>প্ৰকল্প এলেকাত প্ৰাকৃতিক সম্পদৰ ওপৰত এই বিস্তৃত নিৰ্ভৰশীলতাৰ বাবে আমি আশা কৰা ধৰণে প্ৰাকৃতিক সম্পদ সুৰক্ষা আৰু সংবৰ্ধনৰ বাবে গাঁওবাসীৰ মাজত সজাগতা সৃষ্টিত বেছি সফল হ'ব পৰা নাই। ইয়াৰ বিকল্প হিচাপে গাঁওবাসীক ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰিব লাগে ৰন্ধন কাৰ্য তথা অন্যান্য কামৰ বাবে যাতে তেওঁলোকৰ বনৰ ওপৰত নিৰ্ভৰশীলতা কমি যায়। অন্য জীৱিকা কাৰ্যসূচীও সৃষ্টি কৰিব লাগে যাতে প্ৰকল্প এলেকাত প্ৰাকৃতিক সম্পদ সংৰক্ষিত কৰিব পৰা যায়।<br>**২। বস্তুগত মূলধন**<br>মানুহে জীয়াই থাকিবলৈ প্ৰয়োজনীয় প্ৰাথমিক আন্তঃগাঁথনিসমূহ বস্তুগত মূলধনৰ অন্তৰ্গত। ইয়াৰ উপৰি ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জামসমূহো ইয়াৰ অন্তৰ্ভুক্ত। উদাহৰণস্বৰূপে পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা, বাসস্থান, পানী আৰু অনাময় ব্যৱস্থা আৰু শক্তি।<br>প্ৰকল্প এলেকাত বস্তুগত মূলধনৰ পৰ্যাপ্ততা নিৰীক্ষণ কৰি আমি দেখিলোঁ যে ইয়াৰ অৱস্থা অতি শোচনীয়। তাত কোনো ভাল ৰাস্তা নাই, পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা অতি দুৰ্বল, পানী আৰু অনাময় ব্যৱস্থা পৰ্যাপ্ত নহয় আৰু বৈদ্যুতিকৰণৰ সুবিধাও শূন্য।<br>প্ৰকল্প এলেকাৰ জীৱন ধাৰণ উন্নত কৰিবৰ কাৰণে জে এফ এম চি এলেকাটোৰ বস্তুগত আন্তঃগাঁথনি উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। ইয়াৰ ভিতৰত ৰাস্তা, পানী আৰু অনাময় সুবিধা পৰ্যাপ্তকৰণৰ লগতে বিদ্যুতৰ বিকল্প হিচাপে সৌৰ লাইট ব্যৱহাৰত গুৰুত্ব দিব লাগে।<br>**৩। সামাজিক মূলধন**<br>সমাজৰ বিভিন্ন গ্ৰুপৰ উন্নত অনুষ্ঠান-ৰীতি-নীতি প্ৰদৰ্শনৰ বাবে সামাজিক মূলধন ব্যৱহাৰৰ দিশটো ব্যাখ্যা কৰিব পাৰি।<br>প্ৰকল্প এলেকাটোত সীমিতসংখ্যক আত্মসহায়ক গোট উপলব্ধ। এই ক্ষেত্ৰত আত্মসহায় গোটসমূহক সৱলীকৰণ কৰাৰ প্ৰয়োজন আছে। আৰু গাঁওবাসীক আত্মসহায়ক গোট আৰু সমবায় সমিতি আদি গঠনৰ প্ৰতি আগবঢ়াই নিব লাগে। যাতে অঞ্চলটোত জীৱিকাৰ সুযোগ অধিক মাত্ৰাত সফলভাৱে সৃষ্টি কৰিব পৰা যায়। |

| | |
|---|---|
| | এইটোও লক্ষ্য কৰা গৈছে যে মানুহৰ মাজত চৰকাৰী আঁচনিসমূহ ৰূপায়ণৰ হাৰ অতি কম। অঞ্চলটোত সামাজিক আঁচনি ৰূপায়ণ বৰ্তমানেও সুদূৰ পৰাহত। |
| | **৪। মানৱ সম্পদ** |
| | প্ৰকল্প এলেকাত মানৱ সম্পদ বিবেচনা কৰিলে দেখা যায় যে গাঁওবাসীয়ে পৰম্পৰাগতভাৱে কৃষিখণ্ডত দক্ষ। প্ৰকৃতগতভাৱে প্ৰতিটো পৰিয়ালেই কৃষক হিচাপে তথ্য লাভ কৰা হৈছে আৰু নিজস্ব প্ৰয়োজন পূৰণৰ বাবে তেওঁলোকে কৃষি কাৰ্য কৰি আহিছে। কৃষকসকলে তেওঁলোকৰ পৰিয়ালৰ বাবে প্ৰয়োজনীয় খাদ্য উৎপাদনত গুৰুত্ব প্ৰদান কৰে। এই উৎপাদিত শস্যসমূহৰ পৰা মাত্ৰ কিছু পৰিমাণৰহে নাইবা অলপো ব্যৱসায়ৰ বাবে তেওঁলোকে ব্যৱহাৰ কৰিব নোৱাৰে।<br>সমীক্ষাৰ পৰা এইটোও দেখা গৈছে যে এলেকাটোত ৰেচম শিল্পৰ যথেষ্ট সম্ভাৱনীয়তা আছে। লগতে বয়ন আৰু বাঁহ-বেতৰ উদ্যোগৰো সম্ভাৱনীয়তা আছে।<br>প্ৰকল্প এলেকাটোত, এইটো দেখা গৈছে যে সৰহসংখ্যক পৰিয়ালেই মাটিৰ পৰিমাণ ২-১০ হেক্টৰ। এইটোৱেও দেখা গৈছে যে মাটিৰ পৰিমাণ অনুপাতে জীৱিকাৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ ক্ষেত্ৰত গাঁওবাসীয়ে যথেষ্ট গুৰুত্ব দিয়া দেখা নাযায়।<br>এইটো পৰামৰ্শ দিব পাৰি যে বাঁহ-বেতৰ দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তা আছে, চিলাই আৰু অন্যান্য অনাকৃষি ভিত্তিক কাৰ্যসূচীৰ জৰিয়তে গাঁওবাসীক তেওঁলোকৰ জীৱিকাৰ বিবিধতা প্ৰদানৰ উৎস গ্ৰহণ কৰিব পাৰি।<br><br>নিৰ্বাহক্ষম জীৱিকা হ'ল মানুহৰ জীৱন ধাৰণৰ সক্ষমতা সন্তোষজনক কৰা আৰু কোনোধৰণৰ প্ৰতিবন্ধকতা নোহোৱাকৈ জীৱন ধাৰণ মানদণ্ড উন্নত কৰা। এই ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। দাৰিদ্ৰতা দূৰীকৰণ আৰু সামাজিক সৰলীকৰণৰ বাবে সকলো লোককে শিক্ষাৰ সুবিধা প্ৰদান কৰিব লাগিব।<br><br>প্ৰকল্প এলেকাটোত এইটো দেখা গৈছে যে উচ্চ শিক্ষা লাভ কৰাৰ কোনো সুবিধা নাই। সেয়েহে আনুষ্ঠানিকভাৱে অনানুষ্ঠানিকভাৱে অঞ্চলটোত দক্ষতা বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে।<br><br>এখন সফল সমাজৰ বাবে তথ্যৰ উৎস সদায়েই এক প্ৰধান কাৰণ। বনাঞ্চলত আৰু অতি পিছপৰা ঠাইত অৱস্থিত হোৱা হেতু এই অঞ্চলসমূহ এনেধৰণৰ তথ্যৰ পৰা বঞ্চিত হৈ আছে। প্ৰকল্প এলেকাটোত ৰেডিঅ'ৰ বাহিৰে অন্য কোনো তেনেধৰণৰ মাধ্যম নাই। বন কাৰ্যালয়সমূহেও তথ্য যোগানৰ ক্ষেত্ৰত সদায়েই অনিহা প্ৰকাশ কৰি আহিছে। তথ্য আৰু যোগাযোগৰ উৎস এক গুৰুত্বপূৰ্ণ কাৰক হৈ পৰিছে যাৰ দ্বাৰা মানুহে তেওঁলোকৰ প্ৰয়োজনীয়তাসমূহ পূৰণৰ জৰিয়তে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পাৰে আধুনিক সমাজৰ লগত এক সুন্দৰ জীৱননিৰ্বাহৰ সুবিধা গ্ৰহণ কৰিব পাৰে।<br><br>সংস্কৃতি আৰু পৰম্পৰাই এটা সম্প্ৰদায়ৰ সভ্যতা নিৰূপণ কৰে। প্ৰকল্প এলেকাটো সাংস্কৃতিকভাৱে অতি চহকী আৰু এই অঞ্চলটোত পৰম্পৰাগতভাৱে পৰ্যটনৰ যথেষ্ট সম্ভাৱনীয়তা আছে।<br><br>প্ৰকল্প এলেকাটোত পুৰুষসকল বেছিভাগেই কৃষি কাৰ্যৰ লগত জড়িত। যেনে—খেতিপথাৰ চহোৱা, বীজ সিঁচা, নিৰণি কৰা আৰু চপোৱা। আনহাতে মহিলাসকল ৰন্ধাবঢ়া, শিশুৰ যতন লোৱা, পশুধন পালন আদি কামত জড়িত হৈ থাকে। দৈনন্দিন জীৱনত পুৰুষ মহিলা উভয়ে কেনেদৰে দক্ষতামূলক কামত জড়িত হৈ মূল্য সংযোজিতভাৱে জীৱিকা নিৰ্বাহ কৰিছে সেইটো বিশ্লেষণ কৰাটো অতি গুৰুত্বপূৰ্ণ। |

| | |
|---|---|
| | মানৱ সম্পদ বিশ্লেষণৰ ক্ষেত্ৰত প্ৰব্ৰজন হ'ল এক গুৰুত্বপূৰ্ণ কাৰক। ভাল জীৱিকাৰ সন্ধানত এই প্ৰব্ৰজন সংঘটিত হয়। প্ৰকল্প এলেকাটোত তেনেধৰণৰ কোনো প্ৰব্ৰজনৰ কথা পি আৰ এৰ সময়ত পৰিলক্ষিত হোৱা নাই। ইয়াৰ কাৰণ হিচাপে অঞ্চলটোত উচ্চশিক্ষিত লোকৰ অভাৱকেই উল্লেখ কৰিব পাৰি। উচ্চশিক্ষিত হাৰ বৃদ্ধিয়েই প্ৰব্ৰজনৰ হাৰ বৃদ্ধি কৰে। কাৰণ, উচ্চশিক্ষিত লোকসকলে ভাল জীৱিকাৰ সন্ধানত বাহিৰলৈ ঢাপলি মেলাৰ প্ৰৱণতা জাগি উঠে। পৰিয়ালৰ আকাৰো সীমিত। এইটো কাৰণতেই এই প্ৰকল্প এলেকাটোত এঠাইৰ পৰা আনঠাইলৈ প্ৰব্ৰজনৰ কথাটো এৰাই চলিব পৰা বিধৰ।<br>**৫। বিত্তীয় মূলধন**<br>বিত্তীয় মূলধনসমূহ হ'ল (নগদ, জমা/ঋণ, ছেভিংচ আৰু অন্যান্য অৰ্থনৈতিক সম্পত্তি, প্ৰাথমিক আন্তঃগাঁথনি, উৎপাদন সামগ্ৰী আৰু প্ৰযুক্তি) যিবোৰ যিকোনো জীৱন ধাৰণ কৌশল নিৰূপণৰ বাবে অতি প্ৰয়োজনীয়।<br>প্ৰকল্প এলেকাটোত এইটোও দেখা গৈছে যে মাত্ৰ সীমিতসংখ্যক লোকৰ (মুঠ পৰিয়ালৰ দুই শতাংশ) হে বেংক একাউণ্ট আছে। অন্যান্য সুবিধা যেনে স্বাস্থ্য বীমা, শস্য বীমা, বেংক ঋণ, ক্ষুদ্ৰ বিত্তীয় সাহায্য আদি শূন্য।<br>সেয়েহে অঞ্চলটোত বিত্তীয় মূলধন উন্নতকৰণৰ প্ৰয়োজনীয়তা আছে। ইয়াৰ বাবে গাঁওবাসীক বেংক একাউণ্ট, স্বাস্থ্য বীমা, শস্য বীমা, বেংক ঋণ আদি প্ৰদান কৰিব লাগে। যাতে তেওঁলোকৰ প্ৰয়োজন অনুসাৰে অঞ্চলটোত জীৱনধাৰণ প্ৰণালী উন্নত কৰিব পাৰে। |
| **জীৱিকা পৰিপ্ৰেক্ষিত** | লখিমীজান জে এফ এম চিত জীৱিকা কাৰ্যসূচীসমূহ তলত দিয়া ধৰণে চিহ্নিত কৰা হৈছে।<br>❖ জে এফ এম চিটোৰ মুঠ উপাৰ্জনত নিৰ্দিষ্ট জীৱিকা কাৰ্যসূচীৰ বৰঙণি<br>❖ নিৰ্দিষ্ট জীৱিকা কাৰ্যসূচীত উপাৰ্জনকাৰী গ্ৰুপৰ অংশগ্ৰহণৰ শতাংশ<br>❖ সম্ভাৱনাপূৰ্ণ জীৱিকা কাৰ্যসূচীৰ অগ্ৰাধিকাৰ স্থানাংক। |
| | |
| **৪। জীৱিকা উন্নয়ন পৰিকল্পনা (এল ডি পি)** | |
| **উপাৰ্জন সৃষ্টি কাৰ্যসূচী** | গাঁওকেইখনৰ বাবে পৰিকল্পনা কৰা মুখ্য উপাৰ্জন সৃষ্টি কাৰ্যসূচীসমূহ হ'ল<br>**কৃষি খণ্ড ঃ**<br>❖ কুকুৰা আৰু গাহৰি পালন<br>❖ ধানখেতি<br>**অনা-কৃষি খণ্ড ঃ**<br>❖ হস্ততাঁত-বয়ন<br>❖ খাদ্য সংসাধন |

| | |
|---|---|
| **আত্মসহায়ক গোটৰ কৰ্মসূচী** | গাঁওখনৰ আত্মসহায়ক গোটবোৰে তলৰ কৰ্মসূচী সম্পৰ্কে পৰিকল্পনা কৰিব পাৰে ঃ<br>১) সজাগতা সৃষ্টি<br>২) গোট গঠন<br>৩) সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ |
| **শিক্ষামূলক ভ্ৰমণ** | নিম্নোক্ত শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে ঃ<br>১) ৰাষ্ট্ৰীয় হস্ততাঁত প্ৰতিষ্ঠানলৈ শিক্ষামূলক ভ্ৰমণ<br>২) কৃষি বিশ্ববিদ্যালয়লৈ শিক্ষামূলক ভ্ৰমণ |
| **কৰ্মআঁচনিৰ সাৰংশ** | পৰৱৰ্তী পৃষ্ঠাত উল্লেখ কৰা ধৰণে। |
| **সংপৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি।<br>ক) ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি- গ্ৰামীণ নিয়োগৰ বাবে<br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)- কৃষি আৰু কৃষিজাত উন্নয়নৰ বাবে<br>গ) স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা (SJGSY)-জলসিঞ্চন আৰু জলচ্ছেদ উন্নয়নৰ বাবে<br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান<br>ঙ) দক্ষতা উন্নয়ন আঁচনি<br>চ) গ্ৰামীণ উন্নয়ন আৰু জীৱিকাৰ বাবে উপযুক্ত অন্যান্য আঁচনি<br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহ সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণৰ পৰৱৰ্তী কালতো সহায় কৰিব। |

## ৫। লখিমীজান জে এফ এম চিৰ কাৰ্যপৰিকল্পনা

| ক্ৰঃনং | কাৰ্যসূচী | সংখ্যা | পদ্ধতি | পৰিমাণ (টকা) |
|---|---|---|---|---|

**ক) অংশগ্ৰহণমূলক ক্ষুদ্ৰ পৰিকল্পনা**

| | | | | |
|---|---|---|---|---|
| ১ | ক্ষুদ্ৰ পৰিকল্পনাৰ প্ৰস্তুতি | ১ | পি আৰ এ, বেছলাইন ছাৰ্ভে | ১,০০,০০০.০০ |
| | **মুঠ** | | | **১,০০,০০০.০০** |

**খ) উৎপাদকসকলক সংগঠিত কৰা আৰু উদ্যমিতা সৃষ্টি আৰু প্ৰযুক্তিগত সক্ষমতা বৃদ্ধি**

| | | | | |
|---|---|---|---|---|
| ১ | সজাগতা সৃষ্টি কাৰ্যসূচী | ১ | সজাগতা কাৰ্যসূচী | ২০,০০০.০০ |

| | | | | |
|---|---|---|---|---|
| খ১ | দক্ষতা উন্নয়নৰ প্ৰশিক্ষণ | | | |
| ১ | পশুধন আৰু বয়নৰ ওপৰত প্ৰশিক্ষণ কাৰ্যসূচী | ১ | প্ৰশিক্ষণ পৰিচালনা | ২,০০,০০০.০০ |
| ২ | বয়নৰ ওপৰত দক্ষতা উন্নয়ন প্ৰশিক্ষণ কাৰ্যসূচী | ১ | দক্ষতা উন্নয়ন প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা (৪০ দিন) | ২,০০,০০০.০০ |
| ৩ | ক্ষুদ্ৰ এণ্টাৰপ্ৰাইজৰ ওপৰত প্ৰশিক্ষণ কাৰ্যসূচী | ১ | তিনিদিনীয়া উদ্যামিতা কাৰ্যসূচী | ৫০,০০০.০০ |
| | **মুঠ** | | | **৪,৭০,০০০.০০** |
| **গ) সামাজিক গতিশীলতা** | | | | |
| ১ | সংগ্ৰহ গোট (যেনে ঃ আত্ম সহায়ক গোটৰ, সমাজৰ, এন জি অ'ৰ, ব্যক্তি বিশেষৰ উৎপাদন কোম্পানীসমূহৰ) গঠনৰ ওপৰত সজাগতা সৃষ্টি শিবিৰ | | চাৰিদিনীয়া সংগ্ৰহ গোট গঠন সম্পৰ্কীয় সজাগতা শিবিৰ সমবায়ৰ বিশেষজ্ঞৰ দ্বাৰা | ৫০,০০০.০০ |
| ২ | স্বনিয়োজন আৰু সংস্থাপনৰ বাবে সহায়তা আৰু সংযোগ স্থাপন কাৰ্যসূচী | | চি এম এল বিশেষজ্ঞৰ দ্বাৰা ২০০১৭ চনৰ মাৰ্চ মাহলৈ | ৫০,০০০.০০ |
| | **মুঠ** | | | **১,০০,০০০.০০** |
| **ঘ) মূল্য শৃংখল উন্নয়ন** | | | | |
| গ১ | মূল্য শৃংখল উন্নয়নৰ দ্বাৰা উৎপাদন উন্নয়ন | | | |
| ১ | ৰেডিমেড সাজ-পোছাকত মূল্য শৃংখল উন্নয়ন স্থাপন কাৰ্যসূচী | ১ | ডিজাইন বিবিধকৰণৰ ওপৰত দহদিনীয়া প্ৰশিক্ষণ | ৫০,০০০.০০ |
| গ৩ | আধুনিক সৰঞ্জাম যোগান | | | |
| | বয়নৰ বাবে আধুনিক | ৭ | আধুনিক সৰঞ্জাম যোগান | ১,৫০,০০০.০০ |
| | পশুধনৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰী যোগান | ১৫ | স্পিনিং মেচিন যোগান | ৭০,০০০.০০ |
| গ৪ | উৎপাদন আৰু সংসাধন ক্ষমতা উন্নতকৰণ | | | ১,৩০,০০০.০০ |
| | **মুঠ** | | | **৪,০০,০০০.০০** |

| | | | | |
|---|---|---|---|---|
| ঙ) | **বজাৰ লাভৰ বাবে সহায়** | | | |
| ঘ১ | প্ৰাতিষ্ঠানিক ক্ৰেতা আৰু চৰকাৰী সংস্থাৰ সৈতে সংযোগ স্থাপন (বছৰজুৰি) | ২ | ক্ৰেতা-বিক্ৰেতাৰ মুখামুখি আলোচনাৰে প্লেটফৰ্ম গঠন (দুদিন) | ৮০,০০০.০০ |
| ঘ২ | বন বজাৰ স্থাপন | বছৰজুৰি | ভান বজাৰৰ জৰিয়তে সংযোগকৰণ | ১,০০,০০০.০০ |
| ঘ৩ | প্ৰদৰ্শনীত অংশগ্ৰহণ | ১ | বন বিভাগৰ জৰিয়তে এক প্ৰদৰ্শনীত অংশগ্ৰহণ | ১,২০,০০০.০০ |
| ঘ৪ | অন্য ভৌগোলিক বজাৰ লাভৰ বাবে প্ৰেৰণ | ১ | শিক্ষামূলক ভ্ৰমণ | ১,২০,০০০.০০ |
| ঘ৫ | ই পৰ্টোল, ব্ৰাউচাৰ, কেটেলগ আদিৰ জৰিয়তে প্ৰচাৰ | ১ | বিপণন বিশেষজ্ঞৰ সৈতে দুদিনীয়া প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী গ্ৰহণ | ৬০,০০০.০০ |
| | **সৰ্বমুঠ** | | | **১৫,৫০,০০০.০০** |

**সংপৃক্তকৰণ**

ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি।

ক) ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি- গ্ৰামীণ নিয়োগৰ বাবে

খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)- কৃষি আৰু কৃষিজাত উন্নয়নৰ বাবে

গ) স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা (SJGSY)-জলসিঞ্চন আৰু জলচ্ছেদ উন্নয়নৰ বাবে

ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান

ঙ) দক্ষতা উন্নয়ন আঁচনি

চ) গ্ৰামীণ উন্নয়ন আৰু জীৱিকাৰ বাবে উপযুক্ত অন্যান্য আঁচনি

উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহ সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণৰ পৰৱৰ্তী কালতো সহায় কৰিব।

## ৬। বন উন্নয়ন পৰিকল্পনা (এফ ডি পি)

লখিমীজান জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক স্থিতিশীল ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

লখিমীজান জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপণ/ৰোপণৰ বাবে নিৰ্ধাৰিত সম্প্ৰদায়ৰ ভূমি আৰু অন্যান্য ভূমি, অধিসূচিত বনাঞ্চল এলেকাৰ বাহিৰত

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফ'ৰ্মা-৩ৰ অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে (**'বনোন্নয়ন পৰিকল্পনা'**), যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, লখিমীজান জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰাংশ কৰা হৈছে।

**তালিকা-১ ঃ লখিমীজান জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| ডিগবৈ বনাঞ্চলিকৰ অন্তৰ্গত ইউডিআৰএফ (ডব্লিউ বি) পৰিসীমাত | ~~৩০~~ ৫০ | ০ | ভাল এলেকা ঃ ১৬ হেঃ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫ হেক্টৰ | ২-৩মাহ |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| নিৰ্দিষ্ট সময়ত মুকলি কৰা ধনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি | ৪৬০ (এন আৰ ৩৪৫, আই পি-১১৫) | | ভাল এলেকা ঃ নাই<br>ক্ষতিগ্ৰস্ত এলেকা ঃ নাই | |
| **মুঠ** | | | | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, তালিকা ৩.১**/বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে লখিমীজান জে এফ এম চিৰ অন্তৰ্গত ২১০ হেক্টৰ বনাঞ্চল, য'ত ১৬০ হেক্টৰ 'ভাল' আৰু ৫০ হেক্টৰ 'ক্ষতিগ্ৰস্ত'।

**১.২। বনাঞ্চলৰ মাটিৰ প্ৰকাৰ ঃ**

লখিমীজান জে এফ এম চিৰ বনাঞ্চল পলসুৱা প্ৰকৃতিৰ ভূমিত অৱস্থিত। তলৰ তালিকাত এই বনভূমিৰ কিছু বৈশিষ্ট্য উল্লেখ কৰা হ'ল ঃ

**তালিকা- ২ ঃ লখিমীজান জে এফ এম চিৰ বনভূমিৰ প্ৰকাৰ**

| **স্থিতি মাপ** | **ন্যস্ত বনাঞ্চলৰ অৱস্থা** | **বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা** |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ২.৩ৰ পৰা ২.৯৪ শতাংশ জৈৱিক। এন, পি ২০৫, কে-২০ মৌলৰ পৰ্যাপ্ততা এই ভূমিত তুলনামূলকভাৱে কম | — |
| ভূমি ক্ষয়ৰ অৱস্থা | - | — |
| **উপস্থিতি ঃ**<br>(ক) পলস | ২৪% | — |
| (খ) বোকামাটি | ৩১% | — |
| (গ) ন-উৰ্বৰ ভূমি | কম | — |
| (ঘ) বালিচাহি | ৪৫% | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'খ। বনভূমি প্ৰকাৰ'** / বন বিভাগৰ বিষয়া আৰু স্থানীয় গাঁওবাসীৰ সৈতে হোৱা আলোচনা।

কাঁচিজান জে এফ এম চিৰ বাবে বনভূমিৰ প্ৰকাৰৰ বৈশিষ্ট্যসমূহ তলৰ সাৰাংশত দিয়া হ'ল ঃ

ক) এণ্টিছ'ল (৩০.৩%)

খ) ইনছেপ্টিছ'ল (৫১.৩%)

গ) এলফিছ'ল (১১.৩%)

ঘ) আল্টিছ'ল (৭.১%)

**১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

লখিমীজান জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত দিয়া হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহ সংৰক্ষিত বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ লখিমীজান জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

| **প্ৰজাতি** | **স্থানীয় নাম** | **বৈজ্ঞানিক নাম** |
|---|---|---|
| মুখ্য বন প্ৰজাতি | চেগুণ | টেক্টোনা গ্ৰেণ্ডিছ লিন |
| সহযোগী প্ৰজাতি | গমাৰি | মেলিনা আৰব'ৰিয়া |
| গুল্ম | ঢেকীয়া | ফাৰ্নছ |
| | ভোটজলকীয়া | কেপছিকাম ছাইনেন্স |
| ভেষজ উদ্ভিদ | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুনা |

| | | |
|---|---|---|
| ভেষজ উদ্ভিদ | শিলিখা | টার্মিনেলিয়া চেবুলা |
| | নিম | আজাডিৰাচ্টাইণ্ডিকা |
| | আমলখি | ফিলান্থাছএম্বেলিকা |
| উৎপাদন | | |
| অন্যান্য যদি আছে | জৰী বেত | কেলামাছ ইৰেক্টাছ |
| | জাতি বেত | কেলামাছ টেনুইছ |
| | ৰাইডাং বেত | কেলামাছ ৰোটাং |
| | চুলি বেত | কেলামাছ ফ্লেগেল্লাম |
| | লেজাই বেত | কেলামাছ ফ্লৰিবাণ্ডুছ |
| | কেঁকো বাঁহ | ডি হেমিল্টনী |
| | পাহাৰীয়া জাতি বাঁহ | অ'ক্লিটেনথেৰা পার্ভিফ'লিয়া |
| | ডলু বাঁহ | শ্বিজষ্টাচিয়ামডুলোৰা |
| | আমলখি | এমব্লিকা অফিচিনেলিছ্ |
| | হলখ | টার্মিনেলিয়া মাইৰিঅ'কার্পা |
| | হোলোং | ডিপটেৰ'কাৰপাছমেক্ৰকাৰপাছ |
| | অর্জুন | টার্মিনেলিয়া অর্জুন |
| | আগৰ | আকুইলাৰিয়াআগাল্লোচা |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ।** বনাঞ্চলৰ বর্তমান উদ্ভিদসমূহ'/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

## ২। বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী

তলৰ উপশাখাসমূহত লখিমীজান জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'লঃ

### ২.১। জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা

লখিমীজান জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) জড়িত পৰিয়াল ঃ ১৮৩

খ) জড়িত লোক ঃ ১৮৩ (প্ৰতি পৰিয়ালৰ এজন)

গ) গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ উপলব্ধ নহয়

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ উপলব্ধ নহয়

**(উৎস ঃ প্ৰফ'ৰ্মা-৩, 'জে এফ এম চিৰ অৱস্থা-** viii + ix' / বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

## ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ লখিমীজান জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কেনেকৈ চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | নিয়মিতভাৱে | ৬০-৭৫ কিঃ গ্ৰাঃ | - | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | বছৰত এবাৰ | ২ টা | - | বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | - | - | - | - |
| খুঁটা / বাঁহ | মাহত এবাৰ | ২-৩ টা, প্ৰতিমাহ | - | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | নিয়মিতভাৱে | ৫-৬ কিঃ গ্ৰাঃ/ দিনে | - | বনাঞ্চল |
| এন টি এফ পি | - | ২-৩ কিঃ গ্ৰাঃ/ দিনে | - | বনাঞ্চল |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.২'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

লখিমীজান জে এফ এম চিত মুঠ ১১৬ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি লখিমীজান গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ লখিমীজান জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ১২০৭০০ | গোটেই বছৰ জুৰি |
| ঘৰৰ বাবে কাঠ | ১১৬টা | ডিচেম্বৰ-জানুৱাৰী |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — |
| খুঁটা / বাঁহ | ৭৩০ বাঁহ | ডিচেম্বৰ-জানুৱাৰী |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১৪০৮০০ | গোটেই বছৰ জুৰি |
| এন টি এফ পি | ২০৪০০০ | গোটেই বছৰ জুৰি |
| অন্যান্য | - | - |

**উৎস ঃ ওপৰৰ তালিকা ৪, (ক)** আৰু সম্প্ৰদায়ৰ তথ্যৰ মুঠ পৰিয়ালৰ সংখ্যা

(*) = পৰিয়ালসমূহৰ গড় চাহিদাৰ আনুমানিক পৰিমাণ (তালিকা- ৪ (ক)× ৬৫ টা পৰিয়াল

## ২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। লখিমীজান জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ লখিমীজান জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | বছৰজুৰি | ১৮৩ | ৪৩২০ | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | ডিচে-জানু | ১৮৩ | ৪ | বনাঞ্চল |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | ডিচে-জানু | ১৮৩ | ১৬ | বনাঞ্চল |
| খুঁটা | - | - | - | - |
| বনাঞ্চলৰ পৰা পশুখাদ্য | বছৰজুৰি | ১৮৩ | প্ৰতিদিনে ৮ | বনাঞ্চল |
| এন টি এফ পি | বছৰজুৰি | ১৮৩ | প্ৰতিদিনে ৯-১১ | বনাঞ্চল |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৩'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য**
**লখিমীজান জে এফ এম চি**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | ১১৭০০০/বছৰত | স্থানীয় বজাৰ | ১৮০০-২১০০/মাহত |
| ঘৰৰ বাবে কাঠ | — | — | — |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ২২-৪০/মাহ | স্থানীয় বজাৰ | ৮০০-১২৫০/মাহত |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১২০০/বছৰত | স্থানীয় বজাৰ | ৯০০-১৪০০/মাহত |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.4'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

২.৪। **বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে**

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত কাঁচিজান জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**উৎস ঃ** এই অধ্যায়ৰ **তালিকা-৪ (খ) আৰু ৫ (খ),** পৰৱৰ্তী পৃষ্ঠাসমূহত দিয়া হৈছে।

## ৩। বন সুৰক্ষা সংক্ৰান্ত বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

লখিমীজান জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ লখিমীজান জে এফ এম চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনিভাৱে কাঠকটা | নহয় | নহয় |
| কাঠ চোৰাং চালান | হয় | হয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | হয় | হয় |
| সাপে কামোৰাৰ ঘটনা/জীৱনৰ ভাবুকি/ বন সুৰক্ষাত বিপদ | হয় | হয় |
| ঔষধি গছৰ চুৰি | হয় | হয় |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৫'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

ক) চৰণীয়া পথাৰ— স্থানীয় জন্তু

খ) অন্যান্য এলেকাৰ জন্তু

### ৩.২। বনাঞ্চল ক্ষতিৰ কাৰণসমূহ

লখিমীজান জে এফ এম চিৰ বনাঞ্চল ক্ষতিগ্ৰস্ত হোৱাৰ কাৰণসমূহ তলত উল্লেখ কৰা হ'ল ঃ

ক) কোনো বৈজ্ঞানিক পৰিকল্পনা নাই

খ) জনজাতীয় লোকৰ পৰম্পৰাগত কৃষি

গ) পাহাৰ অঞ্চলত উগ্ৰপন্থীৰ সমস্যা

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৬'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

লখিমীজান জে এফ এম চিত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্ছাৰী উন্নয়ন, ব্যৱস্থাপনা আৰু অতিৰিক্ত ক্ৰিয়া।

### ৪.১। সুৰক্ষা পৰিকল্পনা

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে— কাঁচিজান জে এফ এম চিৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ লখিমীজান জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফ'ৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন) |
|---|---|---|---|---|
| ১.পহৰাদাৰ নিয়োগ | সংৰক্ষিত বনাঞ্চল | ৩ কিঃমিঃ | সন্ধিয়া৬ বজাৰ পৰা পুৱা ৬ বজালৈকে | উচ্চ |
| ২.তথ্য যোগানকাৰীৰ পুৰস্কাৰ | সংৰক্ষিত বনাঞ্চল | ৩ কিঃমিঃ | সকলো সময়ত | উচ্চ |
| ৩. অগ্নি প্ৰতিৰোধক | সংৰক্ষিত বনাঞ্চল | ৩ কিঃমিঃ | সকলো সময়ত | উচ্চ |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৭'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে এইটো দেখা গ'ল যে লখিমীজান জে এফ এম চিৰ বাবে পৰিকল্পনা কৰা সুৰক্ষা ব্যৱস্থাসমূহ (উচ্চ/মধ্যম অগ্ৰাধিকাৰ তলত দিয়াৰ ধৰণৰ।

ক) বেৰ নিৰ্মাণ

খ) অগ্নি সুৰক্ষা

### ৪.২। প্ৰস্তাৱিত কাৰ্যসূচীৰ প্ৰকাৰ

লখিমীজান জে এফ এম চিৰ ক্ষতিগ্ৰস্ত বন ভূমিৰ পৰিচৰ্যাৰ বাবে প্ৰস্তাৱিত কাৰ্যসূচীসমূহৰ প্ৰকাৰ তলত দিয়া ধৰণৰ।

**তালিকা- ৯ ঃ লখিমীজান জে এফ এম চিৰ প্ৰস্তাৱিত কাৰ্যসূচীৰ প্ৰকাৰ**

| পৰিচৰ্যা | প্ৰয়োজনীয়তা (হয়/নহয়) | জে এফ এম চিৰ দায়বদ্ধতা | মাহ /বছৰ কেতিয়া কৰা হ'ব | পৰিচৰ্যাৰ বাবে প্ৰস্তাৱিত অঞ্চল পৰিবৰ্ধন(হেঃ) |
|---|---|---|---|---|
| ক্ষতিগ্ৰস্ত বনভূমি পুনৰ সৃজন | হয় | হয় | জুন-জুলাই | ২০০ |
| গছৰ কলম সুৰক্ষা | হয় | হয় | বছৰজুৰি | ২০০ |
| চালি নিৰ্মাণ | হয় | হয় | বছৰজুৰি | ৫ |
| পানী সংৰক্ষক | হয় | হয় | বছৰজুৰি | ৫ |
| বন-বাত নিৰণি কাৰ্য | হয় | হয় | বছৰজুৰি | - |
| বাঁহ-কাম আৰু মাটি পূৰণ | হয় | হয় | বছৰজুৰি | সংৰক্ষিত বনাঞ্চল |
| বীজ সিঁচা | হয় | হয় | বছৰজুৰি | - |
| মূঢ়া-শিপা উভলা আৰু ৰোপণ | হয় | হয় | বছৰজুৰি | - |
| ডাল কটা আৰু পৰিচৰ্যা | হয় | হয় | বছৰজুৰি | - |
| শিলৰ বেৰা/হেজ গছৰ বেৰ | হয় | হয় | বছৰজুৰি | ২০০ |
| সামাজিক বেৰ | হয় | হয় | বছৰজুৰি | ২০০ |
| অন্যান্য কাৰ্যসূচী (হাতী সুৰক্ষা) | হয় | হয় | বছৰজুৰি | সংৰক্ষিত বনাঞ্চল |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৯'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে এইটো দেখা গ'ল যে লখিমীজান জে এফ এম চিৰ বাবে প্ৰস্তাৱিত পৰিচৰ্যা কাৰ্যসূচীসমূহ তলত দিয়া ধৰণৰ

ক) বীজ সিঁচা

খ) শিপা-মূঢ়া উভলা আৰু ৰোপণ আদি

**৪.৩। বনোন্নয়ন পৰিকল্পনা—অগ্ৰিম কাৰ্য আৰু সৃজন**

ওপৰৰ বিষয় বস্তু সাপেক্ষে তলৰ তালিকাখনত বিস্তৃত বৰ্ণনা দিয়া হ'ল—

### তালিকা- ১০ঃ লখিমীজান জে এফ এম চিৰ বাবে বন উন্নয়ন পৰিকল্পনা

| পৰিচৰ্যা | ৰোপণ মডিউলৰ অন্তৰ্গত কালি | আবদ্ধ ৰোপণৰ অগ্ৰাধিকাৰ | প্ৰজাতি | ব্যৱধান মিটাৰ×মিটাৰ |
|---|---|---|---|---|
| প্ৰাকৃতিক পুনৰ সৃজনত সহয়তা দূৰত্ব ৰোপণৰ সৈতে পুনৰ সৃজন | ৪৫ হেক্টৰ এ পি এফ বি চিৰ দ্বাৰা এ এন আৰ | - | শালবহিৰ্ভূত এন টি এফ পি | ২×২ |
| আবদ্ধ ৰোপণ | - | - | - | - |
| নিম, আমলখি, মহুৱা, বহেৰাৰ বীজ সিঁচা (ঔষধি উদ্ভিদ) | ১৫হেক্টৰ | - | ঔষধি উদ্ভিদ | - |
| সমৃদ্ধ ৰোপণ /বীজ সিঁচা | - | - | - | - |
| পোনপটীয়া ৰোপণ | - | - | - | - |
| অন্যান্য | - | - | - | - |
| মুঠ কালি (হেক্টৰ) | ৬০ হেক্টৰ | - | - | - |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৮'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

৪.৪। **বনাঞ্চল উন্নয়ন — বাৰ্ষিক লক্ষ্য**

